# 2021

( Held in 2022 )

# ASSAMESE

## ( MIL Communication )

Paper : ASM–AE–1014

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। *এটা* শব্দ বা বাক্যত উত্তৰ লিখা : ১×১০=১০

(ক) অসমীয়া ভাষাত বিশিষ্ট ব্যঞ্জনধ্বনি বা বৰ্ণ কেইটা ?

(খ) UNICODEৰ সম্পূৰ্ণ ৰূপটো কি ?

(গ) অসমীয়া লিপিৰ মূল কি ?

(ঘ) ফেচবুকৰ জন্মদাতা কোন ?

(ঙ) ভাষা-শিক্ষণৰ বাবে প্ৰয়োজনীয় কৌশল এটাৰ নাম লিখা।

(চ) অসমীয়া ভাষাৰ ধ্বনিবোৰ সঠিক উচ্চাৰণগত ৰূপত লিখিবলৈ কোনবোৰ প্ৰতীক ব্যৱহাৰ কৰা হয়?

(ছ) ছফ্‌ট্‌ৱেৰত উপলব্ধ এখন অসমীয়া অভিধানৰ নাম লিখা।

(জ) কম্পিউটাৰৰ উদ্ভৱ কেতিয়া হৈছিল?

(ঝ) অসমত উমৈহতীয়াভাৱে ব্যৱহৃত অসমীয়া ভাষাটোক কি বুলি কোৱা হয়?

(ঞ) অসমীয়া ভাষাত মুদ্ৰিত প্ৰথমখন গ্ৰন্থৰ নাম লিখা।

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) আখৰ-জোঁটনি আৰু বৰ্ণবিন্যাস বুলিলে কি বুজা, লিখা।

(খ) "যাৰ প্ৰকৃতি ভাল যাৰ দাঁত আৰু ওঁঠ শোভন যি কথা বাৰ্তাত মুখৰ আৰু বিনয়ী তেওঁ প্ৰকৃত উচ্চাৰণ কৰিব পাৰে।" বাক্যটোত যতি চিহ্নৰ প্ৰয়োগ কৰা।

(গ) ইন্টাৰনেটৰ দ্বাৰা যোগাযোগ ব্যৱস্থা সৃষ্টি কৰা ব্যক্তি দুজনৰ নাম লিখা।

(ঘ) কোনো এটা প্ৰসাধন সামগ্ৰীৰ বিজ্ঞাপন দূৰদৰ্শনত কেনেদৰে দিব পাৰি, উল্লেখ কৰা।

(ঙ) বিজ্ঞাপনৰ উদ্দেশ্য কি?





৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) ভাষা-জ্ঞান

(খ) সামাজিক মাধ্যম আৰু ভাষা মিশ্ৰণ

(গ) ফেচবুকৰ ভাষা

(ঘ) টুইটাৰৰ ব্যৱহাৰ

(ঙ) অসমীয়া ভাষা আৰু ৱিকিপিডিয়া

(চ) অসমীয়া মুদ্ৰণ

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) তোমাৰ কলেজৰ পুথিভঁৰালৰ বাবে ১০০০০০·০০ (একলাখ) টকাৰ কিতাপ কিনাৰ বাবে এখন নিবিদা প্ৰস্তুত কৰা।

(খ) সামাজিক মাধ্যমত অসমীয়া ভাষা কেনেধৰণে চৰ্চিত হৈ আছে, ইয়াৰ যোগাত্মক আৰু বিয়োগাত্মক দিশসমূহৰ সৈতে আলোচনা কৰা।

(গ) মুদ্ৰণ ব্যৱস্থাই অসমীয়া ভাষাক কিদৰে সহায় কৰিছে, বহলাই আলোচনা কৰা।

(ঘ) অসমীয়া সমাজত ইন্টাৰনেটৰ ব্যৱহাৰ আৰু প্ৰসাৰ সম্পৰ্কে বহলাই আলোচনা কৰা।

(ঙ) কথন-দক্ষতা বুলিলে কি বুজা? অসমীয়া ভাষাৰ ভিত্তিত ফঁহিয়াই আলোচনা কৰা।

(চ) অসমীয়া ভাষাৰ আখৰ-জোঁটনি সম্পৰ্কে উদাহৰণসহ আলোচনা কৰা।

(ছ) যি কোনো চৰকাৰী চাকৰি এটা বিচাৰি আবেদন এখন প্ৰস্তুত কৰা।

★★★